**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-04-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

আজি ব'হাগৰ পহিলা দিন। পৰম্পৰাগতভাৱে আজি ৰাজ্যজুৰি মানুহ বিহু পালন কৰা হৈছে। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লৈছে। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচীও হাতত লোৱা হৈছে।

আছুৰ উদ্যোগতে কালি গুৱাহাটী জজ খেলপথাৰতো বিগত বৰ্ষৰ দৰে মুকলি বিহুৰ আয়োজন কৰা হয়। পুৰা বিশিষ্ট অভিনেত্ৰী চেতনা দাসে বিহুৰ পতাকা উত্তোলনেৰ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়েও কালিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে। শিৱসাগৰৰ ৰংঘৰৰ বাকৰিতো আজি ৰঙালী বিহুৰ বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হৈছে। ঐতিহাসিক ৰংঘৰৰ বাকৰিত পৰম্পৰাগত খেল-ধেমালি আৰু বিহু-হুঁচৰি অনুষ্ঠান প্ৰদৰ্শন কৰা হ'ব। ইপিনে ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া আদি জিলাৰ ভিন্ন স্থানতো ব'হাগৰ পহিলা দিনটোত মুকলি বিহুৰ লগতে ভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষা হ'বলগীয়া ১৭খন জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন-টি-এৰ সঞ্চালকৰ সৈতে কালি এখন বৈঠকত মিলিত হয়। অসম আৰক্ষীৰ বিশেষ অনুসন্ধানত ৰাজ্যৰ ব্যক্তিগত পৰীক্ষা কেন্দ্ৰত এই পৰীক্ষাত উত্তীৰ্ণ কেইগৰাকীমান শিক্ষাৰ্থীয়ে অস্বাভাৱিকভাৱে বেছি নম্বৰ লাভ কৰাক লৈ এই বৈঠকৰ আয়োজন কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে জাৰি কৰা নিৰ্দেশনাসমূহ কঠোৰভাৱে মানি চলাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি পৰীক্ষা পৰিচালনাৰ ক্ষেত্ৰত কোনো ধৰণৰ অনিয়মৰ ক্ষেত্ৰত আপোচ নকৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ড০ শৰ্মাই অহা ৪ মে'ত হ'বলগীয়া এই পৰীক্ষা অত্যন্ত স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰি দেশৰ বাবে দৃষ্টান্ত দাঙি ধৰিবলৈ সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰীক্ষাৰ সকলো কেন্দ্ৰ কেৱল চৰকাৰী বা চৰকাৰী সাহায্যপ্ৰাপ্ত মহাবিদ্যালয়ত হ'ব। পৰীক্ষাৰ সামগ্ৰী সৰবৰাহ, বিতৰণ আৰু জমা ৰখাৰ সৈতে সম্পৰ্কিত বিষয়সমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। তদুপৰি পৰীক্ষা কেন্দ্ৰসমূহত প্ৰাৰ্থীসকলৰ আধাৰ কাৰ্ড আধাৰিত বায়োমেট্ৰিক প্ৰমাণিকৰণ ব্যৱস্থা থাকিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

০০০০০

আন্তৰ্জাতিক খ্যাতিসম্পন্ন সাঁতোৰবিদ এলভিচ আলী হাজৰিকাই দক্ষিণ আফ্ৰিকাৰ কে'প টাউনৰ পৰা ৰবেন দ্বীপলৈ সাতুৰি ইপাৰ সিপাৰ হোৱা প্ৰথমগৰাকী ভাৰতীয় হোৱাৰ সন্মান অৰ্জন কৰিছে। অসমৰ সুসন্তান এলভিছে কালি ৰঙালী বিহুৰ প্ৰথম দিনাই এই বিৰল কৃতিত্ব অৰ্জন কৰাৰ পাছত ত্ৰিৰংগা পতাকাৰ লগতে অসমীয়াৰ স্বাভিমানৰ প্ৰতীক গামোচাখনো প্ৰদৰ্শন কৰি আন্তৰ্জাতিক মহলত অসমৰ নাম উজ্বলাই তোলে।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উদ্যোগত কালি মন্ত্ৰীগৰাকীৰ ডিব্ৰুগড়ৰ লক্ষ্মীনগৰৰ বাসগৃহত ৰঙালী বিহু উদযাপন কৰা হয়। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ সাংবাদিকসকলৰ লগতে একাংশ ৰাইজৰ সৈতে একেলগে জলপান গ্ৰহণ কৰাৰ লগতে বিহুৱানেৰে সকলোকে ওলগ জনায়। বিশেষ উপলক্ষ্যটিত মন্ত্ৰী প্ৰশান্ত ফুকনৰ ফুকনৰ উপৰি সাংসদ ৰামেশ্বৰ তেলী, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাৰ লগতে বিজেপিৰ বহু নেতা-কৰ্মীও উপস্থিত থাকে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত চেন্নাই ছুপাৰ কিংছৰ পৰাজয়ৰ ধাৰাবাহিকতাৰ অৱশেষত অন্ত পৰিছে। ক্ৰমাগত ৫ খন খেলত পৰাজিত হোৱা দলটো কালি লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে ৫ উইকেটত জয়ী হয়। লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত লক্ষ্ণৌৱে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৬৭ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। অধিয়ানক ঋষভ পণ্টে সৰ্বাধিক ৬৩ ৰাণ কৰে। ৰবীন্দ্ৰ জাদেজা আৰু মাথিছা পাথিৰাণাই দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাচিন ৰবীন্দ্ৰ আৰু ৰশ্বিদ শেখে ৫০ ৰাণৰ অপেনিং যুটীৰে চেন্নাইক সুন্দৰ আৰম্ভণি দিয়াৰ পাছত শিবম ডুবেই ৪৩ আৰু অধিনায়ক মহিন্দ্ৰ সিং ধোনীয়ে ২৬ ৰাণ কৰি অপৰাজিত থাকি দলৰ বিজয় সুনিশ্চিত কৰে। মহেন্দ্ৰ সিং ধোনীলৈ প্লেয়াৰ অৱ মেচৰ বঁটা আগবঢ়োৱা হয়।

প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। সম্প্ৰতি দুয়োটা দলেই ৬ পইণ্টকৈ লাভ কৰিছে যদিও উন্নত ৰাণ ৰেটৰ সুবাদত কলকাতা পাঞ্জাবতকৈ এটা স্থান আগুৱাই আছে।

ইপিনে চেন্নাই ছুপাৰ কিংছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদে তেওঁলোকৰ দলত এটাকৈ সালসলনি কৰিছে। চেন্নাইয়ে আঘাতপ্ৰাপ্ত ৰুতুৰাজ গাইকোৱাডৰ স্থানত আয়ুষ মাত্ৰেক আৰু হায়দৰাবাদে এডাম জাম্পাৰ স্থানত স্মৰণ ৰবিচন্দ্ৰনক দলত অন্তৰ্ভুক্ত কৰিছে।

ooooo

সমাপ্ত